# বিকল্প শিক্ষা আৰু মানৱ সম্পদ

■ বিজয়া ডেকা
উপাধ্যক্ষ, জৱাহৰলাল নেহৰু মহাবিদ্যালয়

এখন দেশত বসবাস জনসাধাৰণৰ শিক্ষা, কৰ্ম ক্ষতা কৌশল আৰু ইচ্ছাশক্তিৰ ওপৰত দেশৰ উন্নয়ণৰ হু পৰিমাণে নিৰ্ভৰ কৰে। শিক্ষাই ব্যক্তিৰ চিন্তা ক্ষমতাক তিশীল কৰি তোলে। ৰাষ্ট্ৰসংঘৰ মতে শিক্ষা মানুহৰ ন্মস্বত্ব অধিকাৰ। এই শিক্ষাক সৰ্বসাধাৰণৰ বাবে হজলভ্য কৰিলেহে দেশ এখনৰ প্ৰগতিৰ পথ প্ৰশস্ত য়। কিয়নো শিক্ষাই নাগৰিক সকলক সুনিদেৰ্শনা দি জৰ অধিকাৰ আৰু দায়িত্ব পালনত যথেষ্ট অৰিহনা যাগায়। ভাৰতবৰ্ষ এখন বৃহৎ গণতান্ত্ৰিক জনবহুল ৰাষ্ট্ৰ ত স্বাধীনতাৰ ৭৫ বছৰ পিছতো আনুষ্ঠানিক শিক্ষাই ৰ্বসাধাৰণৰ শৈক্ষিক চাহিদা পূৰণ কৰিবলৈ সমৰ্থ হোৱা ই।

বৰ্তমান সময়ত অন্য দেশৰ দৰে ভাৰতবৰ্ষতো আনুষ্ঠানিক শিক্ষাৰ পৰিপূৰক হিচাপে বিকল্প শিক্ষাৰ Alternative Education) সংযোজন ঘটিছে।

শিক্ষাক জনমুখী আৰু জীৱনমুখী কৰিবলৈ বিকল্প শিক্ষাৰ যি প্ৰয়াস সি -সঁচাকৈয়ে আদৰণীয়। ৯৭৯-৮০ চনত চৰকাৰে Non- Formal Educa-ion (NFE) আঁচনিখনৰ উদ্যোগ লয়। ১৯৮৭-৮৮ নত এই আঁচনিখন পুনঃ নিৰীক্ষণ কৰা হয়। ইয়াৰ ৰিয়তে শিশু তথা প্ৰাপ্ত বয়স্ক সকলক শিক্ষাৰ ক্ষেত্ৰত াগুৱাই নিবলৈ চেষ্টা কৰা হয়। প্ৰাথমিক শিক্ষাক াৰ্বজনীন কৰিবৰ বাবে সমগ্ৰ দেশৰ ভিতৰতে ১০ ন শৈক্ষিকভাৱে অনগ্ৰসৰ ৰাজ্য চিনাক্ত কৰা হয়। এই দহখন ৰাজ্য হ'ল মধ্য প্ৰদেশ, অসম, বিহাৰ, উৰিষ্যা, অৰুণাচল প্ৰদেশ, জন্মু-কাশ্মীৰ, পশ্চিম বংগ, ৰাজস্থান, অন্ধ্ৰ প্ৰদেশ আৰু উত্তৰ প্ৰদেশ। ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান (Total Literacy campaign) জন শিক্ষন সংস্থান (Jan Shikshan Sansthan),ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় (National Institute of Open Schooling) আদিৰ দৰে চৰকাৰী পদক্ষেপ সমূহে বিকল্প শিক্ষাৰ উপায় বা মাধ্যমসমূহৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। বৰ্তমান সময়ত বিকল্প শিক্ষাৰ প্ৰতি জনসাধাৰণে আগ্ৰহী হোৱা পৰিলক্ষিত হৈছে। বিকল্প শিক্ষা নমনীয়, আত্মশিক্ষা কেন্দ্ৰীক, অবিৰত প্ৰক্ৰিয়া, শিক্ষাৰ্থীকেন্দ্ৰীক তথা বহল পৰিসৰৰ। আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত, দৈহিকভাৱে অক্ষম, আধৰুৱা শিক্ষা গৃহিনী, বিবাহিত মহিলা, উচ্চ শিক্ষাৰ প্ৰতি থকা ঢাউতি, চাকৰিয়ালসকলে পদোন্নতিৰ বাবে অথবা প্ৰাপ্তবয়স্কসকলে এই শিক্ষাৰ জৰিয়তে নিজৰ শিক্ষা পূৰণ কৰিব পাৰে।

বিকল্প শিক্ষাৰ প্ৰকাৰবোৰ হ'ল-

১। যোগাযোগ শিক্ষা (Correspondance Education)

২। দূৰত্ব শিক্ষা (Distance Education)

৩। প্ৰাপ্ত বয়স্ক শিক্ষা (Adult Education)

৪। সামাজিক শিক্ষা (Social Educa-

tion)

৫। মুক্ত বিদ্যালয় (Open School)

৬। মুক্ত বিশ্ববিদ্যালয় (Open University)

বৰ্তমান সময়ত যোগাযোগ শিক্ষা আৰু দূৰত্ব শিক্ষাৰ গুৰুত্ব সকলোৱে কম বেছি পৰিমাণে উপলব্ধি কৰিব পাৰিছে। এজন ব্যক্তিৰ সম্পূৰ্ণ বিকাশ আৰু জীৱন সমৃদ্ধিশালী কৰাৰ ক্ষেত্ৰত প্ৰাপ্তবয়স্ক শিক্ষাৰ গুৰুত্ব অপৰিসীম। দেশ এখনৰ আৰ্থ-সামাজিক বিকাশৰো ই দিশ নিৰ্ণায়ক স্বৰূপ । প্ৰাপ্তবয়স্ক শিক্ষা পৃথিৱীৰ ভিন্ন দেশত ভিন্ন নামেৰে জনা যায়।

যেনে- ভাৰতবৰ্ষ- ১। প্ৰাপ্তবয়স্ক শিক্ষা।

২। সামাজিক শিক্ষা।

আফগানিস্তান- অপৰম্পৰাগত শিক্ষা।

অষ্ট্ৰেলিয়া, নিউজিলেণ্ড- অবিৰত শিক্ষা।

বাংলাদেশ, চীন, পাকিস্থান, ভিয়েটনাম, নেপাল প্ৰাপ্তবয়স্ক শিক্ষা।

জাপান, কোৰিয়া গনতন্ত্ৰ- সামাজিক শিক্ষা।

শ্ৰীলংকা, থাইলেণ্ড- অগতানু গতিক শিক্ষা।

ৰাচিয়া-১। সাধাৰণ প্ৰাপ্তবয়স্ক শিক্ষা ।

২। অবিৰত শিক্ষা।

৩। বৃত্তিগত উন্নীতকৰণ (Processional upgrading)

আমেৰিকা যুক্ত ৰাষ্ট্ৰ-

১। প্ৰাপ্ত বয়স্ক বুনিয়াদী শিক্ষা।

২। ওপৰিঞ্চি শিক্ষা-(Further Education)

ভাৰতবৰ্ষত মুক্ত শিক্ষা ব্যৱস্থাৰ কাৰ্যকৰীকৰণৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষন পৰিষদ (NCERT) যে অনুমোদন প্ৰদান কৰে। ১৯৭৯ চনত মাধ্যমিক শিক্ষাৰ বাবে প্ৰথমখন মুক্ত বিদ্যালয় দিল্লীত স্থাপন হয়। ইংলেণ্ডত ১৯৬৯ চন ২৩ জুলাইত আনুষ্ঠানিকভাবে মুক্ত বিশ্ববিদ্যালয় স্থাপন হয় যদিও ভাৰতবৰ্ষত ১৯৮২ চনতহে প্ৰথম ড০ বি. আৰ. আম্বেদকাৰ মুক্ত বিশ্ববিদ্যালয়, অন্ধ্ৰ প্ৰদেশত স্থাপিত হয়। ইয়াৰ পিছত ১৯৮৫ চনত কেন্দ্ৰীয় চৰকাৰে ইন্দিৰাগান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় (Indira gandhi National Open University (IGNOU) স্থাপন কৰে।

২০০৬ চনত অসমত প্ৰথমখন ৰাজ্যিক মুক্ত বিশ্ব বিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU) স্থাপন হয়। এই দুইখনকে ধৰি বৰ্তমান ভাৰতবৰ্ষত মুঠতে ১৪ খন মুক্ত বিশ্ববিদ্যালয় আছে যত উপযুক্ত মানৱ সম্পদ গঢ়াৰ বাবে বিভিন্ন দিশত আৰু বিভিন্ন বিষয়ত সুবিধা প্ৰদানৰ চেষ্টা চলোৱা হৈছে।

MOOC (Massive Open Online Course) :

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশ আৰু প্ৰসাৰে মানৱ সমাজক বিভিন্ন ধৰণে আগবঢ়াই নিয়াৰ লগতে শিক্ষাৰ জগতখনকো বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছে। অতি সম্প্ৰতি ক'ভিড ১৯ অতিমহামাৰীয়ে সমগ্ৰ মানৱ জাতিলৈ যি ভাবুকি কঢ়িয়াই আনিছে সেই কথা সকলোৰে জ্ঞাত। মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা প্ৰণালী স্থবিৰ হোৱাৰ লগতে শিক্ষাৰ জগতখনো স্তব্ধ হৈ পৰিছিল। Lock down তথা বিপদ সংকুল অৱস্থাত মানুহে Work from home, ঘৰতে থাকি সুৰক্ষিত হোৱা, মাস্ক পৰিধান কৰা, ঘনাই হাত ধোৱা, সামাজিক দূৰত্ব মানি চলা আদি বিশ্ব স্বাস্থ্য সংস্থাই আগবঢ়োৱা নিৰ্দেশনা মানি চলাটো বাধ্যতামূলক হৈ পৰে। এনে পৰিপ্ৰেক্ষিতত Online শিক্ষাৰ জৰিয়তে ছাত্ৰ ছাত্ৰী সকল কিছুপৰিমাণে হ'লেও পাঠ্য পুথিৰ লগত জড়িত কৰি ৰাখিবলৈ চেষ্টা কৰা হয়। এই বিকল্প পন্থাই অৰ্থাৎ Digital platform ত মানুহৰ মনত বিভিন্ন

ধৰণেৰে আশাৰ বতৰা কঢ়িয়াই আনিছে।

দেশ জুৰি আৰম্ভ হোৱা Digital Movement য়ে বিদ্যায়তনিক ক্ষেত্ৰখনক বিভিন্ন ধৰণে আগবঢ়াই নিবলৈ চেষ্টা কৰিছে যাৰ ফলত MOOC নামৰ Digital platform ৰ আৰ্বিভাৱ হৈছে।

MOOC- ইয়াৰ সম্পূৰ্ণ ৰূপটো হ'ল- Massive open online course. প্ৰিন্স এডৱাৰ্ড আইলেণ্ড বিশ্ব বিদ্যালয় (University of prince Edward Island) ২০০৮ চনত ডেভ কৰমাইৰে (Dave Cormier) সংযোগবাদ (Connectivism) আৰু সংযোগী জ্ঞানৰ (Connective knowledge) প্ৰতি সঁহাৰি জনাই এই MOOC শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল। এই MOOC অৰ্থাৎ Massive Open Online course ৰ দাৰ্শনিক ভিত্তি হ'ল BA যেনে- Anytime (যিকোনো সময়তে),

Anyone (যিকোনো লোকে )আৰু

Anywhere (যিকোনো ঠাইতে)।

ইয়াত ১। বিশাল (Massive)ঃ জনসাধাৰণৰ ব্যাপক অংশ গ্ৰহণ বা নামভৰ্তিকৰণ (Large Enrolment of people).

২। মুক্ত (Open)ঃ সকলোৰে বাবে মুক্ত অৰ্থাৎ ইয়াত কোনো বাধ্যবাধকতা নাই।

(Open to all means no mandatory Qualifications).

৩। অনলাইন (Online)ঃ এই শিক্ষা সম্পূৰ্ণৰূপে অনলাইন প্ৰকৃতিৰ (Fully online).

৪। বিষয় (Course)ঃ অধ্যয়নৰ বিষয়বোৰ পদ্ধতিগত আৰু প্ৰনালীগতভাৱে সজোৱা।

এই MOOC হৈছে এনে এক Digital platform যাৰ মাধ্যমত শিক্ষাক সহজে আৰু মিতব্যয়ীভাৱে উপলদ্ধ কৰি জনসাধাৰণৰ শৈক্ষিক আশা আকাংক্ষা পূৰণ কৰিব পাৰি। এই ব্যৱস্থাৰে শিক্ষা লাভ কৰিবলৈ কেৱল বৈদ্যুতিক মাধ্যম হিচাপে মোবাইলফোন,ডেস্কটপ অথবা লেবটপত ইণ্টৰানেট সংযোগৰ প্ৰয়োজন।

উল্লেখযোগ্য কথা এই যে গতিশীল সময়ৰ প্ৰতি লক্ষ্য ৰাখি পৰিবৰ্তিত চাহিদাবোৰ পূৰণ কৰি অনলাইন মাধ্যমসমূহৰ সহায়ত দেশৰ বিকাশ প্ৰক্ৰিয়া খৰতকীয়া কৰি তোলাৰ বাবে শৈক্ষিক ক্ষেত্ৰত ভাৰত চৰকাৰে লোৱা দুটা পদক্ষেপ হ'ল

E-PG Pathsala আৰু MOOC

E-PG Pathsalaৰ সহায়ত শিকাৰু সকলে কেৱল মুক্ত শিক্ষাৰ সম্পদবোৰ (Open Educational Resource) পাব পাৰে য'ত শিক্ষক সকল উপলব্ধ নাথাকে। MOOCৰ মাধ্যমত শিক্ষাৰ্থীসকলে অনলাইন ব্যৱস্থা যোগে শিক্ষকসকলৰ লগত যোগযোগ স্থাপন কৰাৰ উপৰিও নিৰ্দিষ্ট বিষয় সফলতাৰে সম্পুৰ্ণ কৰাৰ অন্তত চাৰ্টিফিকেট লাভ কৰিব পাৰে।

MOOC ৰ সহায়ত অধ্যয়নৰ কোনো এক বিষয়ত নাম ভৰ্তি কৰি চাৰ্টিফিকেট পাবলৈ হ'লে অধ্যয়ন ক্ষেত্ৰ নিৰ্বাচন কৰিব লাগে। অধ্যয়ন ক্ষেত্ৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত (At International Level যেনে Udacety, edx, coursera ইত্যাদি) আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত (At National Level যেনে SWAYAM NPTEL ইত্যাদি) দুই ধৰণৰ হয়।

MOOC ৰ সুবিধা সমূহ হ'ল-

১। শিক্ষাৰ্থীসকলৰ ভিডিঅ লেকচাৰ নোটচ ডাউনলোড কৰা, সহ-শিক্ষাৰ্থীসকলৰ লগত যোগাযোগৰ মাধ্যমেৰে নিজৰ মতামত ব্যক্ত কৰাৰ সুবিধা প্ৰদান।

২। জনসাধাৰণৰ মাজত গুণগত উচ্চ শিক্ষাৰ অভিগম্যতাৰ বা প্ৰবেশযোগ্যতা (Accessibilety)

সহজ কৰি তোলে।

৩। যিকোনো সময়তে, যিকোনো ঠাইতে, যিকোনো লোকে এই শিক্ষাৰ সুবিধা ল'ব পাৰে।

৪। এই শিক্ষা বিনামূলীয়া। অৱশ্যে কোনো শিক্ষাৰ্থীয়ে পৰীক্ষাত বহি নূন্যতম খৰচ বহন কৰি প্ৰমানপত্ৰ ল'ব পাৰে।

৫। এই শিক্ষা ব্যৱস্থা মিতব্যয়ী, নমনীয়।

৬। ফলাফল গ্ৰেডিং পদ্ধতিৰ (Grading System) সহায়ত কৰা হয়।

৭। এই শিক্ষা ব্যৱস্থাত ভৌগলিক সীমাবদ্ধতা নাই।

৮। দেশ বিদেশৰ শিক্ষকসকলৰ পৰা ঘৰতে বহিয়ে শিক্ষা আহৰণ কৰিব পাৰে।

Mooc ৰ অসুবিধা সমূহ হ'ল-

১। Mooc ৰ প্লেটফৰ্মৰ সহায়ত শিক্ষা ল'বলৈ Digital Literacy হ'ব লাগিব।

২। ইংৰাজী ভাষাতহে বেছিভাগ শিক্ষা প্ৰদান কৰা হয়।

৩। ইন্টাৰনেট দুৰ্বল হ'লে শিক্ষালাভত ব্যাঘাত জন্মে।

৪। কাৰিকৰী বিষয়ত ব্যৱহাৰিক জ্ঞান লাভত অসুবিধা।

৫। শ্ৰেণীসমূহ ৰেকৰ্ড হৈ থকা বাবে শিক্ষাৰ্থীসকলে দৈনন্দিন বিষয় অধ্যয়ন কৰাৰ ক্ষেত্ৰত বিলম্ব কৰাৰ প্ৰবণতা দেখা যায়।

৬। আত্ম অভিৰোচন (Self Motivation) আৰু সময় পৰিচালনাৰ অভাৱত শিক্ষা সফল নহয়।

৭। ব্যক্তিগতভাৱে গুৰুত্ব দিব নোৱাৰি।

এক ডিজিটেল প্লেটফৰ্ম হিচাবে SWAYAM.য়ে গুৰুত্ব পূৰ্ণ ভূমিকা লৈছে। 'Study webs of Active Learning for young Aspiring Minds' (SWAYAM) ২০১৭ চনৰ ৯ জুলাই তাৰিখে প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ উপস্থিতিত এই SWAYAM নামৰ Platform ৰ শুভাৰম্ভ হয়। দেশৰ জনগনৰ মাজত তথ্য প্ৰযুক্তিবিদ্যাৰে গুণগত শিক্ষা ব্যাপক সম্প্ৰসাৰণ কৰাৰ বাবে SWAYAM হ'ল এক স্বদেশী MOOC

SWAYAM ৰ বিস্তৃত পৰিসৰে স্কুলীয়া শিক্ষাৰ নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ আৰু স্নাতোকোত্তৰ পৰ্য্যায়লৈ সামৰী লয়। বৰ্তমান প্ৰায় ১০০০ তকৈ অধিক অধ্যয়নৰ বিষয় আৰু ৩০ লাখ শিক্ষাৰ্থীয়ে ৰুচিসন্মতভাৱে বিভিন্ন বিষয়ত নামভৰ্তি কৰি তেওঁলোকৰ বিদ্যায়তনিক যাত্ৰা অব্যাহত ৰাখিছে।